# আমাৰ এন আৰ চি
# ন্যায়সংগত এন আৰ চি

## উপায়ুক্তৰ দ্বাৰা নথি-পত্ৰৰ এন এছ কে ভিত্তিক পুনৰ অনুসন্ধান আৰু পৰীক্ষণ

NRC
NATIONAL REGISTER OF CITIZENS

### আপোনালোকৰ জ্ঞাতাৰ্থে

- প্ৰকৃত ভাৰতীয়ৰ নামৰ অন্তৰ্ভুক্তি নিশ্চিত কৰিবলৈ জিলা দণ্ডাধীশ (উপায়ুক্ত)ৰ দ্বাৰা কিছুমান আবেদনপত্ৰৰ পুনৰ অনুসন্ধান আৰু পুনৰ পৰীক্ষণৰ প্ৰয়োজন হ'ব পাৰে।
- এইক্ষেত্ৰত আবেদনকাৰীয়ে জিলা দণ্ডাধীশৰ দ্বাৰা নিযুক্ত এন এছ কেৰ পৰীক্ষণকাৰী বিষয়াৰ সন্মুখত উপস্থিত হোৱাৰ এটি সুযোগ লাভ কৰিব।
- আবেদনকাৰীসকলে সেই সময়ত তেওঁৰ সন্দেহ দূৰীকৰণ আৰু স্পষ্টীকৰণ দিয়াৰ বাবে পৰ্যাপ্ত সুযোগ লাভ কৰিব।
- পুনৰ পৰীক্ষণ ৪ মে', ২০১৮ তাৰিখৰ পৰা আৰম্ভ হ'ব।
- আবেদনকাৰীক উপস্থিত হ'ব লগা তাৰিখ, সময় আৰু স্থানৰ বিষয়ে তেওঁ আবেদনপত্ৰত উল্লেখ কৰা ঠিকনাত পত্ৰযোগে জনোৱা হ'ব। পত্ৰখনত কি কি নথি-পত্ৰৰ পুনৰ পৰীক্ষণ হ'ব তাৰ বিৱৰণ থাকিব।

### আপোনাৰ সহযোগিতাৰ প্ৰয়োজন

- আবেদনকাৰীসকলে সংশ্লিষ্ট এন এছ কেৰ পৰীক্ষণকাৰী বিষয়াৰ সন্মুখত নিৰ্দিষ্ট তাৰিখ আৰু সময়ত উপস্থিত থাকিব লাগিব। আবেদনকাৰীসকলে নাম অন্তৰ্ভুক্তিৰ দাবীৰ সমৰ্থনত প্ৰয়োজনীয় সকলো প্ৰমাণ / নথি-পত্ৰ লগত আনিব পাৰিব। সম্পৰ্কৰ যোগসূত্ৰ প্ৰমাণ কৰিবলৈ তেওঁ লিগেচী ব্যক্তি বা তেওঁৰ উত্তৰ পুৰুষক তেওঁলোকৰ জবানবন্দী লিপিবদ্ধ কৰাৰ বাবে লগত আনিব পাৰিব।
- পুনৰ পৰীক্ষণৰ বাবে আবেদনকাৰীসকলে মূল নথি-পত্ৰসমূহ দেখুৱাব লাগিব।
- পৰীক্ষণকাৰী বিষয়াই কোনো মূল নথি-পত্ৰ ৰাখি নথয়।
- সকলো প্ৰকৃত ভাৰতীয়ৰ নামৰ অন্তৰ্ভুক্তি আৰু সকলো অযোগ্য আবেদনকাৰীৰ নাম বাতিল কৰাৰ বাবে জনসাধাৰণৰ আন্তৰিক সহযোগিতাৰ প্ৰয়োজন।
- আবেদনকাৰীসকলে উপস্থিত হোৱাৰ তাৰিখ, সময় আৰু স্থানৰ বিষয়ে http://nrcassamhearing.in/ তো চাব পাৰিব।

**২৪ মাৰ্চ, ১৯৭১ (মাজনিশা) তাৰিখলৈ সকলো প্ৰকৃত ভাৰতীয় নাগৰিকৰ নাম নাগৰিকপঞ্জীত অন্তৰ্ভুক্ত কৰা হ'ব।**

## অভিযোগ নিষ্পত্তি

কোনো অভিযোগ থাকিলে সংশ্লিষ্ট এন আৰ চি সেৱা কেন্দ্ৰ (এন এছ কে)ত গৈ নাগৰিক পঞ্জীয়নৰ স্থানীয় পঞ্জীয়ক (এল আৰ চি আৰ) বা চক্ৰ বিষয়া যি গৰাকী নাগৰিক পঞ্জীয়নৰ চক্ৰ পঞ্জীয়ক (চি আৰ চি আৰ) বা উপায়ুক্ত যি গৰাকী নাগৰিক পঞ্জীয়নৰ জিলা পঞ্জীয়ক (ডি আৰ চি আৰ)ৰ ওচৰত অভিযোগ দাখিল কৰিব পাৰে।

Exclusive/NRC/04-18-11

জনহিতাৰ্থে প্ৰচাৰিত

**ৰাজ্যিক সমন্বয়ক, এন আৰ চি, অসম চৰকাৰ**

**নাগৰিক পঞ্জীয়নৰ মহা পঞ্জীয়ক, গৃহ মন্ত্ৰালয়, ভাৰত চৰকাৰ**

বিশদভাবে জানিবলৈ আৰু সহায়ৰ বাবে | আমাৰ ২৪ x ৭ বিনামূলীয়া হেল্পলাইন নম্বৰত ফোন কৰক | ১৫১০৭ (অসমৰ বাবে) ১৮০০৩৪৫৩৭৬২ (অসমৰ বাহিৰৰ পৰা) | আমাৰ ৱেবচাইট www.nrcassam.nic.in | nrcassam @NRCupdateAssam ত আমাক অনুসৰণ কৰক